# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-10-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN
**::::::::::::::::::::::::::::::::::::::::::::**

নাৰী শিক্ষাৰ ক্ষেত্ৰত যুগান্তকাৰী পদক্ষেপ হিচাপে মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ অধীনত কাইলৈ ছাত্ৰীসকলৰ মাজত চেক বিতৰণ কৰা হ'ব। উচ্চ শিক্ষা আহৰণৰ দিশত ৰাজ্যৰ ১০ লাখ কন্যা শিক্ষাৰ্থীৰ সুবিধাৰ্থে ৰাজ্য চৰকাৰে এই অভিলাষী পদক্ষেপ গ্ৰহণ কৰিছে। এই আঁচনিখনৰ জৰিয়তে মহাবিদ্যালয়ত ছাত্ৰীৰ নামভৰ্তিৰ সংখ্যা বৃদ্ধি, বাল্যবিবাহ তথা কৈশোৰকালৰ মাতৃত্ব প্ৰতিৰোধ, প্ৰতিগৰাকী কন্যা শিশুৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষা সুনিশ্চিত হৈছে। ২০২৪-২৫ বৰ্ষত এই আঁচনিৰ অধীনত এক লাখ ৬০ হাজাৰ ছাত্ৰীলৈ ১৩৩ কোটি টকা মোকলাই দিয়াৰ বিপৰীতে ২০২৫-২৬ বৰ্ষত ৩ লাখ ৫০ হাজাৰ ছাত্ৰীক নিযুত মইনা আঁচনিৰ সুবিধা প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। কাইলৈ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত এই আঁচনিৰ চেক বিতৰণৰ কেন্দ্ৰীয় কাৰ্যসূচী অনুষ্ঠিত হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি, পূব গুৱাহাটীৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যকে ধৰি আন কেইবাগৰাকী বিধায়ক উপস্থিত থাকিব।

০০০০

ৰাজ্যখনৰ ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ বাবে জনগোষ্ঠীকেইটাৰ অন্তৰ্গত দল-সংগঠনে জনাই অহা দাবীৰ প্ৰতি অসম গণ পৰিষদ দলৰ পূৰ্ণ সমৰ্থন আছে বুলি দলৰ সভাপতি অতুল বৰাই প্ৰকাশ কৰিছে। তেওঁ কয়, যে আহোম, চুতীয়া, মৰাণ, মটক, কোচ-ৰাজবংশী আৰু চাহ জনগোষ্ঠীৰ লোকসকলে দীৰ্ঘদিন ধৰি জনজাতিকৰণৰ বাবে দাবী জনাই আহিছে। এই দাবীৰ প্ৰতি অসম গণ পৰিষদ দলে সমৰ্থন জনাই বুলি তেওঁ সাংবাদিকৰ আগত প্ৰকাশ কৰে।

**বাইট (অতুল বৰা)**

উল্লেখযোগ্য যে উজনি অসমত এই জনগোষ্ঠীকেইটাৰ দল-সংগঠনৰ নেতৃত্বত সাধাৰণ লোকসকলে দীৰ্ঘদিন ধৰি জনজাতিকৰণৰ দাবীত আন্দোলন চলাই আহিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কিছুদিন পূৰ্বে এই সন্দৰ্ভত জনগোষ্ঠীকেইটাৰ এই দাবী ন্যায্য বুলি প্ৰকাশ কৰাৰ লগতে নিৰ্দিষ্ট প্ৰক্ৰিয়াৰ মাধ্যমেৰে এই দিশত আগবাঢ়িব পৰা যাব বুলি উল্লেখ কৰিছিল। তেওঁ এই জনগোষ্ঠীকেইটাৰ লোকসকলৰ দাবী সোনকালেই পূৰণ হ'ব বুলিও আশ্বাস দিছিল।

০০০০

অসম সাহিত্য সভাই কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰাস্থিত পৰমানন্দ লাহন প্ৰেক্ষাগৃহত পৰহিলৈ দিনজোৰা কাৰ্যসূচীৰে ভৱিষ্যৎ প্ৰজন্মৰ সন্মিলন শীৰ্ষক এটি অনুষ্ঠানৰ আয়োজন কৰিছে। জিলা সাহিত্য সভাসমূহৰ সম্পাদক, সহকাৰী সম্পাদক আৰু পত্ৰিকা সম্পাদকসকলক লৈ আয়োজন কৰা এই অনুষ্ঠানৰ লক্ষ্য হৈছে নৱপ্ৰজন্মৰ মাজত অসমীয়াকে ধৰি অন্যান্য থলুৱা বাষাসমূহৰ প্ৰতি আগ্ৰহ সৃষ্টি কৰা। অসম সাহিত্য সভাৰ

সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীৰ পৌৰোহিত্যত হ'বলগীয়া এই সন্মিলনখন উদ্বোধন কৰিব নুমলীগড় শোধনাগাৰৰ মহাপ্ৰৱন্ধক ড০ কাজল শইকীয়াই। অনুষ্ঠানত মন্ত্ৰী অতুল বৰা, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ সঞ্চালক ড০ সোণালী ঘোষকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। এই অনুষ্ঠানতে প্ৰজন্ম ঐক্য নামৰ এখন স্মৃতিগ্ৰন্থও উন্মোচন কৰা হ'ব।

০০০০

নাৰী শক্তিক অধিক শক্তিশালী আৰু গতিশীল কৰি তোলাৰ লক্ষ্যৰে সদৌ চুতিয়া জাতি মহিলা সন্মিলনৰ উদ্যোগত চুতিয়া উন্নয়ন পৰিষদৰ ব্যৱস্থাপনাত আজি ঢকুৱাখনাৰ গণেশ গগৈ প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে মহিলা সমাৰোহ অনুষ্ঠিত হয়। অনুষ্ঠানৰ অংশ হিচাপে গছপুলি ৰোপন, পতাকা উত্তোলন, স্মৃতি তৰ্পন আৰু সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। সদৌ চুতিয়া জাতি সন্মিলনৰ উপদেষ্টা তুলসী প্ৰসাদ শইকীয়াই প্ৰেক্ষাগৃহৰ দ্বাৰ মুকলি কৰে। জিলা চুতিয়া জাতি মহিলা সন্মিলনৰ প্ৰাক্তন সভানেত্ৰী লাবন্য শইকীয়া বৰুৱাই উদ্বোধন কৰা মুকলি সভাত ঢকুৱাখনাৰ বিধায়ক নব কুমাৰ দলে, ঢকুৱাখনাৰ সহকাৰী আয়ুক্ত সুদৰ্শন শইকীয়া, লখিমপুৰ জিলা পৰিষদৰ সভানেত্ৰী ছোনিয়া বৰগোঁহাইকে ধৰি ভালেকেইগৰাকী ব্যক্তি উপস্থিত থাকে।

০০০০

গোলাঘাট জিলাৰ খুমটাইত আজিৰে পৰা খুমটাই ক্ৰীড়া উৎসৱ ২০২৫ অনুষ্ঠিত হৈছে। সমষ্টিটোৰ বিধায়ক মৃণাল শইকীয়াৰ উদ্যোগত দুদিনীয়াকৈ নৰাগাঁৱৰ নৱনিৰ্মিত ষ্টেডিয়ামত এই ক্ৰীড়া উৎসৱ উপলক্ষে উখল-মাখল পৰিবেশে বিৰাজ কৰিছে। সাঁতোৰ, ডবা, বেডমিণ্টন, শ্বুটিং, ফুটবলকে ধৰি কেইবাবিধো খেলৰ প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। গ্ৰামাঞ্চলৰ সুপ্ত প্ৰতিভা বিকাশ কৰাৰ বাবে এই মহোৎসৱৰ আয়োজন কৰা হৈছে। সাঁতোৰ প্ৰতিযোগিতাত কমেও ২৫০গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছে।

০০০০

চাওতালী সাহিত্য সভাৰ উপ-সভাপতি, বিশিষ্ট লেখক তথা ৰুণীখাটা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক পাল্টন মাৰ্দিৰ যোৱা নিশা নিজা বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৫ বছৰ। চাওতাল সমাজৰ বাবে বহু অৱদান আগবঢ়োৱা প্ৰয়াত মাৰ্দিয়ে চান্থালী ভাষাত পঞ্চম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ ব্যাকৰণ পুথিসহ মুঠ ১৩খন গ্ৰন্থ ৰচনা কৰিছিল। ২০২৪ চনত সাহিত্যৰ ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে নিখিল বড়ো ছাত্ৰ সন্থাই তেওঁক বিশিষ্ট সাহিত্যিক সন্মানেৰে সন্মানিত কৰিছিল। সমাজকৰ্মীগৰাকীৰ আজি খ্ৰীষ্টান ধৰ্মীয় ৰীতি-নীতিৰে অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়।

০০০০

**ঃঃ সমাপ্ত ঃঃ**